# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date :** 31-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::

১। কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ সংকল্পৰ সৈতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দিছে বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনৰ ২০ সংখ্যক কিস্তীৰ ধন পৰহিলৈ মুকলি কৰি দিয়া হ'ব।

৩। পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ অন্তিম সময়সীমা অহা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে।

৪। অহা পহিলা আগষ্টৰ পৰা ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বিপাক্ষিক বাণিজ্যত ২৫ শতাংশ শুল্ক আৰোপ কৰা হ'ব বুলি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ঘোষণাক ভাৰতে বিবেচনাৰ অৰ্থে গ্ৰহণ কৰিছে।

*আৰু*

৫। ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট আজি অ'ভেলত আৰম্ভ হ'ব।

ooooo

ৰাজ্যসভাত অপাৰেচন সিন্দূৰ বিতৰ্কত কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই কৰা মন্তব্যৰ শলাগ লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কৈছে, যে কেন্দ্ৰীয় চৰকাৰে সম্পূৰ্ণ সংকল্পৰ সৈতে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰত্যুত্তৰ দিছে। কালি দিনৰ ভাগত ৰাজ্যসভাত সিন্দূৰ অভিযান সন্দৰ্ভত হোৱা বিতৰ্কত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাই ২০০৪-২০১৪ সময়ছোৱাৰ সৈতে বৰ্তমানৰ ২০১৪-২০২৫ চনৰ সময়খিনি তুলনা কৰি ৰাষ্ট্ৰীয় সুৰক্ষা, সামৰিক প্ৰত্যুত্তৰ তথা ৰাজনৈতিক সদিচ্ছা সন্দৰ্ভত ভাৰতৰ শক্তিশালী পৰিৱৰ্তন সন্দৰ্ভত আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে সম্পূৰ্ণ শক্তি তথা নিৰ্ভুলভাৱে সিন্দূৰ অভিযান ৰূপায়ণ কৰা হৈছিল। তেওঁ লগতে কয়, যে ভাৰতৰ এই প্ৰত্যুত্তৰত মাত্ৰ ২২ মিনিটৰ ভিতৰতেই পাকিস্তানৰ বাহৱালপুৰ, ছিয়ালকোট আৰু মুজাফ্‌ৰবাদকে ধৰি ৯টা সন্ত্ৰাসবাদী শিবিৰ ধ্বংস কৰা হৈছিল। অপাৰেচন মহাদেৱ আৰু অপাৰেচন সিন্দূৰৰ সমন্বিত প্ৰয়াসেৰে পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ মূল ষড়যন্ত্ৰকাৰীসকলক নিৰ্মূল কৰিবলৈ সমৰ্থ হৈছে বুলি তেওঁ লগতে প্ৰকাশ কৰে। শ্ৰীনাড্ডাই কয়, যে এই নিৰ্ণায়ক আক্ৰমণৰ ফলত লস্কৰ-ই-তৈবা, জেইচ-ই-মহম্মদ আৰু হিজবুল মুজাহিদ্দিনৰ লেখীয়া গুৰুত্বপূৰ্ণ সন্ত্ৰাসবাদী ঘাটীসমূহ ধ্বংস হৈছে। তেওঁ কয়, যে গোলকীয় সম্প্ৰদায়ে ভাৰতৰ এই কাৰ্যক সম্পূৰ্ণ সমৰ্থন প্ৰদান কৰিছে। পেহেলগাম আক্ৰমণৰ পাছত ৬১ গৰাকী বিশ্ব নেতাই এই ঘটনাক তীব্ৰ ভাষাৰে গৰিহণা দিছে। আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞসকলে এতিয়া ভাৰতত বিশ্বৰ প্ৰতিৰক্ষা আৰ্হি হিচাপে বিবেচনা কৰিবলৈ লৈছে বুলি মন্ত্ৰীগৰাকীয়ে লগতে উল্লেখ কৰে।

ooooo

প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি আঁচনিৰ অধীনৰ ২০ সংখ্যক কিস্তীৰ ধন পৰহিলৈ মুকলি কৰি দিয়া হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানৰ অধ্যক্ষতাত কালি নতুন দিল্লীত এই

বিষয়ক এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত হয়। বৈঠকত কিস্তীৰ ধন মোকলাই দিয়াৰ লগতে অধিক সংখ্যক কৃষকে যাতে এই আঁচনিৰ সুফল লাভ কৰিব পাৰে সেই সন্দৰ্ভত পৰ্যালোচনা কৰা হয়। বৈঠকত শ্ৰীচৌহানে পৰহিলৈ অনুষ্ঠিত হ'বলগীয়া কাৰ্যসূচীত ৰাষ্ট্ৰীয়, ৰাজ্যিক, জিলা তথা গাঁও পৰ্যায়ত কৃষকসকলৰ সৈতে সংযোগ স্থাপন কৰি এই কাৰ্যসূচীত ৰাষ্ট্ৰজোৰা অভিযান হিচাপে আয়োজন কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে দেশৰ কৃষকসকলক এই কাৰ্যসূচীত অংশগ্ৰহণ কৰিবলৈও আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত এই আঁচনিৰ অধীনত তিনিটা কিস্তিত ৬ হাজাৰ টকাকৈ কৃষকসকলৰ একাউণ্টলৈ জমা দিয়া হয়।

০০০০০

পদ্ম বঁটাসমূহৰ বাবে মনোনয়ন দাখিলৰ অন্তিম সময়সীমা অহা ১৫ আগষ্টলৈ বৃদ্ধি কৰা হৈছে। ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেলৰ জৰিয়তে অনলাইন ব্যৱস্থাৰেহে এই মনোনয়নসমূহ গ্ৰহণ কৰা হ'ব। অহা বছৰৰ গণৰাজ্য দিৱসৰ সৈতে সংগতি ৰাখি এই পদ্ম বঁটাসমূহ ঘোষণা কৰা হ'ব। পদ্ম বিভূষণ, পদ্মভূষণ আৰু পদ্মশ্ৰী আদি হৈছে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান।

০০০০০

অহা পহিলা আগষ্টৰ পৰা ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ দ্বিপাক্ষিক বাণিজ্যত ২৫ শতাংশ শুল্ক আৰোপ কৰা হ'ব বুলি ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ঘোষণাক ভাৰতে বিবেচনাৰ অৰ্থে গ্ৰহণ কৰিছে। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ৰ এটা বিবৃতিত কোৱা হৈছে যে চৰকাৰে ইয়াৰ প্ৰয়োগ সন্দৰ্ভত অধ্যয়ন কৰি আছে। বিবৃতিত লগতে কোৱা হৈছে যে চৰকাৰে ৰাষ্ট্ৰীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব। একেদৰে অন্যান্য বাণিজ্যিক চুক্তি বিশেষকৈ আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে ব্যাপক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিকো সামৰি লোৱা হৈছে। মন্ত্ৰালয়ে লগতে বিবৃতিটোত কৈছে যে ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰই বিগত কেইবামাহ ধৰি স্বচ্ছ, ভাৰসাম্য আৰু পাৰস্পৰিক লাভজনক বাণিজ্য চুক্তিৰ সম্পাদনত বিশেষ গুৰুত্ব প্ৰদান কৰি আহিছে। চৰকাৰে খেতিয়ক, উদ্যমী আৰু অতি ক্ষুদ্ৰ, ক্ষুদ্ৰ আৰু মজলীয়া উদ্যোগসমূহৰ সুৰক্ষা আৰু প্ৰসাৰত গুৰুত্ব প্ৰদান কৰা কৰিছে বুলিও বিবৃতিটোত প্ৰকাশ কৰা হৈছে। ইপিনে দেশৰ বৃহৎ ব্যৱসায়িক সংস্থা ফিক্কি- এফ আই চি চি আইয়ে আমেৰিকাই যুক্তৰাষ্ট্ৰই ৰপ্তানিকৃত সামগ্ৰীত ২৫ শতাংশ শুল্ক আৰোপ কৰাৰ সিদ্ধান্তৰ বিৰোধিতা কৰিছে। সংস্থাটোৰ অধ্যক্ষ হৰ্ষবৰ্ধন আগৰৱালাই কয়, যে এয়া অতি দুৰ্ভাগ্যজনক আৰু দেশৰ ৰপ্তানিত বিৰোপ প্ৰভাৱ পৰিব।

০০০০০

থলুৱাভাৱে বিকশাই তোলা ৰে'লৰে সুৰক্ষা ব্যৱস্থা **কৱচ** ৪.০ কোটা-মথুৰা খণ্ডত কাৰ্যকৰী কৰাৰ বাবে সাজু হৈছে বুলি চৰকাৰে ঘোষণা কৰিছে। লোকসভাত ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই কথা ঘোষণা কৰি কয়, যে দেশৰ ৰে'ল ব্যৱস্থা আধুনিকীকৰণৰ ক্ষেত্ৰত ৰে'লৰেৰ সুৰক্ষা ব্যৱস্থা গ্ৰহণ কৰা হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে অচিৰেই ৰে'ল সুৰক্ষাৰ ক্ষেত্ৰত **কৱচ** ৪.০ কাৰ্যকৰী কৰা হ'ব।

০০০০০

বৈপ্লৱিক ছহিদ উধম সিঙৰ ৮৬ সংখ্যক ছহিদ দিৱস উপলক্ষে সমগ্ৰ দেশে আজি তেওঁলৈ শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছে। উধম সিং গডৰ পাৰ্টি আৰু হিন্দুস্তান ছ'চিয়েলিষ্ট ৰিপাব্লিক এছ'চিয়েচনৰ সৈতে জড়িত আছিল। ১৯১৯ চনৰ অমৃতচৰৰ জালিয়ানৱালা বাগ হত্যাকাণ্ডৰ প্ৰতিশোধ স্বৰূপে উধম সিঙে ১৯৪০ চনৰ ৩০ মাৰ্চত তদানীন্তন ব্ৰিটিছ পাঞ্জাৱৰ প্ৰাক্তন উপ-ৰাজ্যপাল মাইকেল অ' ডায়ৰক হত্যা কৰিছিল।

০০০০০

কামচাট্কা উপদ্বীপৰ সমীপত পূব ৰাছিয়াৰ উপকূলত কালি হোৱা প্ৰবল ভূমিকম্পৰ পাছত উত্তৰ প্ৰশান্ত মহাসাগৰীয় অঞ্চলত ছুনামীৰ সতৰ্কতা হ্ৰাস কৰা হৈছে। এই ভূমিকম্প অঞ্চলটোত সংঘটিত শক্তিশালী ভূমিকম্পসমূহৰ ভিতৰত অন্যতম আছিল আৰু প্ৰাৰম্ভিক অৱস্থাত জাপান, ৰাছিয়া, হাৱাইত সতৰ্কবাণী জাৰি কৰা হৈছিল। কোনোধৰণৰ বৃহৎ ক্ষতি আৰু হতাহতৰ খবৰ লাভ নকৰাৰ পৰিপ্ৰেক্ষিতত কৰ্তৃপক্ষই বৰ্তমান এই সতৰ্কতাৰ পৰিমাণ হ্ৰাস কৰিছে। অৱশ্যে ছিলীয়ে প্ৰশান্ত মহাসাগৰীয় উপকূল অঞ্চলৰ অধিকাংশতে ছুনামীৰ উচ্চ সতৰ্কতা জাৰি কৰাৰ লগতে ঠাইসমূহ খালী কৰাৰ নিৰ্দেশ দিছে।

ooooo

অহা ছেপ্তেম্বৰত কানাডাই ৰাষ্ট্ৰসংঘত পেলেষ্টাইনী ৰাষ্ট্ৰৰ স্বীকৃতি দিয়াৰ পৰিকল্পনা কৰিছে। শেহতীয়াকৈ পেলেষ্টাইন ৰাষ্ট্ৰক স্বীকৃতি দিবলৈ ঘোষণা কৰা কানাডা হৈছে জি-ছেভেনৰ অন্তৰ্গত ৰাষ্ট্ৰসমূহৰ তৃতীয়খন ৰাষ্ট্ৰ। অৱেশ্য কানাডাৰ প্ৰধানমন্ত্ৰী মাৰ্ক কাৰ্নীয়ে কয়, যে এই সিদ্ধান্ত গণতান্ত্ৰিক সংস্কাৰৰ লগতে পেলেষ্টাইন কৰ্তৃপক্ষই হামাছক জড়িত নকৰোৱাকৈ অহা বছৰ নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ লোৱা পদক্ষেপৰ ওপৰত নিৰ্ভৰ কৰিব। যদিহে ইজৰাইলে যুদ্ধ বিৰতি আৰু অন্যান্য চৰ্ত পূৰণ কৰিবলৈ সন্মত নহয় তেন্তে আমেৰিকাই যুক্তৰাষ্ট্ৰই পেলেষ্টাইন ৰাষ্ট্ৰক স্বীকৃতি দিয়াৰ কথা ঘোষণা কৰিছিল। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এই ঘোষণাৰ এদিন পাছতেই কানাডাৰ এই একেই ঘোষণাই তাৎপৰ্য বহন কৰিছে। ফ্ৰান্সেও যোৱা সপ্তাহত এই একেধৰণৰ ঘোষণা আগবঢ়াইছিল। ৰাষ্ট্ৰসংঘৰ ১৯৩ খন সদস্য দেশৰ প্ৰায় ১৫০ খন দেশেই পেলেষ্টাইন ৰাষ্ট্ৰক আনুষ্ঠানিকভাৱে স্বীকৃতি দিছে।

ooooo

আয়ুষ মহাত্ৰেই অহা ২১ ছেপ্তেম্বৰৰ পৰা অষ্ট্ৰেলিয়া ভ্ৰমণ কৰিবলগীয়া ভাৰতৰ ১৯ বছৰ অনূৰ্ধ্বৰ ক্ৰিকেট দলৰ নেতৃত্ব দিব। দলটোৱে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে তিনিখন এদিনীয়া আৰু দুখন চাৰিদিনীয়া খেল খেলিব। ইংলেণ্ডত অনুষ্ঠিত যুৱ ক্ৰিকেট টেষ্টত মহাত্ৰেই চাৰিটা ইনিংছত দুটা শতক আৰু এটা অৰ্ধ শতকেৰে ৩৪০ ৰানৰ বৰঙণিৰে অভূতপূৰ্ব প্ৰদৰ্শন কৰিছিল। ১৯ বছৰ অনূৰ্ধ্বৰ এই দলটোত দিহান মালহোত্ৰাক উপ-অধিনায়ক হিচাপে নিৰ্বাচিত কৰা হৈছে।

ooooo

ভাৰত আৰু ইংলেণ্ডৰ মাজৰ চলিত টেষ্ট শৃংখলাৰ পঞ্চম তথা অন্তিমখন টেষ্ট আজি অ'ভেলত আৰম্ভ হ'ব। অ'ল্ড ট্ৰেফ'ৰ্ডত অনুষ্ঠিত চতুৰ্থ টেষ্টৰ দ্বিতীয় ইনিংছত দৃঢ়তাপূৰ্ণ বেটিঙেৰে খেলখন ড্ৰ' কৰিবলৈ সমৰ্থ হোৱাৰ পিছত ভাৰতৰ মনোবল উন্নত হৈ আছে। এণ্ডাৰ্ছন-টেণ্ডুলকাৰ শৃংখলাত এতিয়ালৈকে ইংলেণ্ডে ২-১ ৰ অগ্ৰগতি লাভ কৰি আছে। পঞ্চম টেষ্টৰ বাবে ভাৰতীয় দলত আঘাতপ্ৰাপ্ত ঋষভ পন্টৰ ঠাইত ধ্ৰুৱ জুৰেলক অন্তৰ্ভুক্ত কৰা হৈছে। কুলদীপ যাদৱকো মূল একাদশত অন্তৰ্ভুক্ত কৰাৰ সম্ভাৱনা আছে।

আনহাতে, ইংলেণ্ডৰ অধিনায়ক বেন ষ্টোকছে আঘাতৰ বাবে পঞ্চম টেষ্টত অংশগ্ৰহণ কৰিব নোৱাৰিব। তেওঁৰ ঠাইত অ'লি পোপে ইংলেণ্ড দলটোৰ নেতৃত্ব দিব।

ooooo

সমাপ্ত